ক্ষমতাৰ পোষকতা কৰিছে।

২) ঘৰ আৰু বিদ্যালয়ৰ যোগাযোগ বুলিলে কি বুজা? ইয়াৰ গুৰুত্ব সম্পৰ্কে লিখা।

=> ঘৰ আৰু বিদ্যালয়ৰ যোগাযোগ মানে গৃহ বিদ্যালয় আৰু শিশুটিৰ মাজৰ সম্পৰ্কক বুজোৱা। ঘৰ আৰু বিদ্যালয়ৰ সুস্থ যোগাযোগৰ জৰিয়তে অভিভাৱক আৰু শিক্ষক দুয়ো শিশুটিৰ বিকাশৰ বাবে একেলগে কাম কৰিব পাৰে। যদি বিদ্যালয়ত অভিভাৱকৰ সংযোগ আৰু যোগাযোগ নিয়মীয়া হয় তেতিয়াহ'লে শিশুটোৰ আত্মবিশ্বাস বাঢ়ে আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াটো আনন্দময় হয়। যেতিয়া পিতৃ-মাতৃ আৰু শিক্ষক দুয়ো শিশুটোৰ বিকাশ আৰু প্ৰগতিৰ সম্পৰ্কে অৱগত হয় তেতিয়া শিশুটোৰ শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়াটো উপযুক্ত হয় কিয়নো এই প্ৰক্ৰিয়াৰ যোগেদি পিতৃ-মাতৃয়ে শিশুটিয়ে বিদ্যালয়ত কি বিষয় দক্ষতা আহৰণ কৰিছে বা কি বিষয়ত শিশুটিৰ আগ্ৰহ আছে সেইটো জানিব পাৰে। লগতে শিশুটিৰ বিকাশৰ বিভিন্ন দিশসমূহত কেনেদৰে আগুৱাই গৈছে সেই সম্পৰ্কে পিতৃ-মাতৃ অৱগত হয়। ঠিক একেদৰেই শিক্ষক সকলেও শিশুটিয়ে গৃহত কি কৰে, কি কামত আগ্ৰহ আছে, অবসৰ সময়ত ঘৰত কি কৰি সময় কটায়, শিশুটিৰ আগ্ৰহ আদিৰ বিষয়ে জানিব পাৰে। পিতৃ-মাতৃক শিশুৰ প্ৰথম শিক্ষক বুলি কোৱা হয় গতিকে শিশুৰ সৰ্বতোপ্ৰকাৰ বিকাশত পিতৃ-মাতৃৰ যথেষ্ট অৰিহণা আছে। গতিকে শিক্ষকসকলে পিতৃ-মাতৃৰ পৰা শিশুটো সম্পৰ্কে বিভিন্ন দিশৰ অভিজ্ঞতা সমূহ জানি লব লাগে যাতে তেওঁলোকৰ শিশুটোৰ লগত এটা সুন্দৰ আৱেগিক সম্পৰ্ক গঢ়াই ৰখাটো সহজ হয়। গৃহ আৰু

বিদ্যালয়ৰ নিয়মীয়া যোগাযোগৰ মাধ্যমেৰে পিতৃ-মাতৃয়ে বিদ্যালয়ত শিশুটিৰ অগ্ৰগতিৰ সম্পৰ্কে তথ্য লাভ কৰিব পাৰে। এইক্ষেত্ৰত দুয়োজনৰ পৰা কিবা সমস্যা থাকিলে তেওঁলোকে মুকলিমূৰীয়াকৈ আলোচনা কৰিব পাৰে। শিক্ষক-শিক্ষয়িত্ৰী সকলে শিশুটিৰ বিভিন্ন দিশত থকা পাৰদৰ্শিতা আৰু দুৰ্বলতা সমূহ গম পাব পাৰে। গৃহ আৰু বিদ্যালয়ৰ সুস্থ যোগাযোগে শিক্ষা বিভাগত বিভিন্ন ধৰণে সহায় কৰে

যেনে:-> i) শৈক্ষিক দিশত আগুৱাই যোৱাত সহায় কৰে।
ii) শিক্ষাগ্ৰহণৰ প্ৰতি এক ধনাত্মক দৃষ্টিভংগী গঠন কৰা।
iii) শিশুটিৰ আত্ম-বিশ্বাস বাঢ়ে।
iv) মাক-দেউতাক, শিক্ষক আৰু শিশুটিৰ মাজত এটা সুস্থ সম্পৰ্ক গঢ় লৈ উঠে।
v) শিশুটিৰ বিদ্যালয়ত উপস্থিতি নিয়মীয়া হয়।

পিতৃ-মাতৃৰ লগত যোগাযোগৰ বাবে বেলেগ বেলেগ বিদ্যালয়ে বেলেগ বেলেগ পন্থা অৱলম্বন কৰে। কেতিয়াবা একেলগে অভিভাৱকৰ সভা আহ্বান কৰে, কেতিয়াবা ব্যক্তিগতভাৱে শিশু আৰু অভিভাৱক উভয়কে মাতে, কেতিয়াবা কিছুমান অনুষ্ঠানত অভিভাৱকৰ উপস্থিতি বাধ্যতামূলক কৰে, কেতিয়াবা পৰীক্ষাৰ Progress report বা অন্যান্য পাৰদৰ্শিতা সম্পৰ্কীয় নথি-পত্ৰ অভিভাৱকে নিজে আহি বাধ্যতামূলকভাৱে লৈ যাবলৈ দিয়া হয় কেতিয়াবা চাৰিজন পাঁচজন বা ছয়জন অভিভাৱকক একেলগে বিদ্যালয়লৈ মতা আদি। সুইতে যেনেকৈয়ে নহওক কিয় সকলো বিদ্যালয়ে কিবা নহয় কিবা এটা পন্থা অৱলম্বন কৰি গৃহ আৰু বিদ্যালয়ৰ মাজত এক সু-সম্পৰ্ক ৰখাৰ চেষ্টা কৰাটো বাঞ্ছনীয় আৰু শিশুটিৰ সৰ্বাংগীণ বিকাশৰ বাবেও ই অপৰিহাৰ্য।